**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2026
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*

**:::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চিকিমৰ গেংটকত এটা বিশাল ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

২। পশ্চিমবংগ বিধানসভাৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি সামৰণি পৰে।

৩। নতুন দিল্লীত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজত এখন মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰিত হয়।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি দীনেশ ত্ৰিবেদীক বাংলাদেশত ভাৰতৰ পৰৱৰ্তী উচ্চায়ুক্ত হিচাপে নিযুক্তি দিয়াৰ কথা ঘোষণা কৰিছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চিকিমৰ গেংটকত এটা বিশাল ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেমসিং টামাং গোলে আৰু বিজেপিৰ ৰাজ্যিক সভাপতি বি আৰ থাপাৰ উপস্থিতিত অগণন লোকে প্ৰধানমন্ত্ৰীক সম্ভাষণ জনায়। দুদিনীয়া ভ্ৰমণসূচীৰে ৰাজ্যখনলৈ অহা প্ৰধানমন্ত্ৰীও জনসাধাৰণক অভিনন্দন জনায়। ইয়াৰ পূৰ্বে ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, মুখ্যমন্ত্ৰী, বিধানসভাৰ অধ্যক্ষ, আৰু জ্যেষ্ঠ মন্ত্ৰীসকলে প্ৰধানমন্ত্ৰীগৰাকী লিবিং হেলিপেডত অৱতৰণ কৰাৰ সময়ত আদৰণি জনায়।

প্ৰধানমন্ত্ৰীয়ে কাইলৈ পালজোৰ ষ্টেডিয়ামত ৰাজ্যখনৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ বাবে প্ৰায় ৪ হাজাৰ কোটিতকৈ অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই প্ৰকল্পসমূহৰ অধীনত পৰ্যটন, কৃষি, পৰিবেশ, নগৰ উন্নয়ন, শক্তি, শিক্ষা, স্বাস্থ্য সেৱা, যোগাযোগ তথা আন্তঃগাঁথনিকে ধৰি বিভিন্ন খণ্ডক সামৰি লোৱা হৈছে।

ooooo

পশ্চিমবংগ বিধানসভাৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান আজি সামৰণি পৰে। এই পৰ্যায়ত অহা ২৯ এপ্ৰিলত ৭ খন জিলাৰ ১৪২টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটগ্ৰহণ হ'বলগীয়া জিলা কেইখন হৈছে –কলকাতা উত্তৰ, কলকাতা দক্ষিণ, হাওৰা, নাদিয়া, উত্তৰ চৌবিবশ পৰগনা, দক্ষিণ চৌবিবশ পৰগনা, হুগলী আৰু পূৰ্ব বৰ্ধমান।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে উত্তৰ চৌবিবচ পৰগনা জিলাৰ কংকিনাৰাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে হুগলি জিলাৰ চন্দন নগৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। যোগী আদিত্য নাথ আৰু অশ্বিনী বৈষ্ণৱকে ধৰি আন আন বিজেপি নেতাসকলে নিৰ্বাচনী ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। আনহাতে, তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে কলকাতাত এটা ৰোড শ্ব'ত অংশ গ্ৰহণ কৰে। দলটোৰ সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে হুগলিৰ আৰামবাগত এখন নিৰ্বাচন সভাত অংশগ্ৰহণ কৰাৰ লগতে মহেশতলাত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

ৰাজ্যখনত যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৯৩ দশমিক ১—৯ শতাংশ অভিলেখ ভোটদান হয়। নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে কটকটীয়া নিৰাপত্তা

ব্যৱস্থা গঢ়ি তুলিছে। উল্লেখযোগ্য যে অসম, কেৰলম, পশ্চিমবংগ, তামিলনাডু আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

০০০০০

নতুন দিল্লীত আজি ভাৰত আৰু নিউজিলেণ্ডৰ মাজত এখন মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰিত হয়। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আৰু নিউজিলেণ্ডৰ বাণিজ্য তথা বিনিয়োগ মন্ত্ৰী টড মেকলেৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ হয়। উল্লেখযোগ্য যে যোৱা বছৰৰ ডিচেম্বৰ মাহতে এই চুক্তি স্বাক্ষৰ হব বুলি চূড়ান্ত হৈছিল। আজি এই চুক্তি স্বাক্ষৰ হোৱাৰ পাছতে ভাৰতে সকলো ধৰণৰ সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰত ১০০ শতাংশ শুল্ক ৰেহাইৰ সুবিধা পাব। মুক্ত বাণিজ্য চুক্তিৰ ফলত সেৱা খণ্ড, শিক্ষা, স্বাস্থ্যসেৱা, পৰম্পৰাগত ঔষধ আৰু বিনিয়োগৰ ক্ষেত্ৰত নতুন পথ মুকলি হব বুলি আশা কৰা হৈছে। চুক্তিখনৰ অধীনত নিউজিলেণ্ডে দীৰ্ঘ সময়ৰ বাবে ২০ বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগ কৰিব। ইয়াৰ জৰিয়তে দেশৰ ঔদ্যোগিক বিকাশ, উদ্ভাৱন, আন্তঃগাঁথনি আৰু নিয়োগ সৃষ্টিত সহায়ক হব। একে সময়তে, ভাৰতে দুগ্ধজাত সামগ্ৰী, কৃষি আদিৰ দৰে স্পৰ্শকাতৰ খণ্ডসমূহকো সুৰক্ষিত কৰিব বুলি আশা কৰা হৈছে।

এই অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এটা বাৰ্তাও পাঠ কৰি দিয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাটোত কয় যে নিউজিলেণ্ডৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ হোৱাটো গোলকীয় সম্পৰ্ক আৰু অংশীদাৰিত্বমূলক সমৃদ্ধিৰ দিশত এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে পৰিচিত হৈছে। তেওঁ লগতে কয় যে এই পদক্ষেপে দুই গণতান্ত্ৰিক দেশৰ মাজত শক্তিশালী অৰ্থনৈতিক অংশীদাৰিত্ব, পাৰস্পৰিক বিশ্বাস আৰু উমৈহতীয়া লক্ষ্যৰ প্ৰতিফলন ঘটাইছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰত - নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তিৰ বিষয়ে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে এখন ৰাষ্ট্ৰীয় দৈনিক কাকতত লিখা এটা প্ৰবন্ধ সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে এই প্ৰবন্ধটোত শ্ৰীগোৱেলে ভাৰত - নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তিয়ে কৃষি আৰু দুগ্ধ উৎপাদনৰ দৰে খণ্ডসমূহৰ সম্পূৰ্ণ সুৰক্ষা সুনিশ্চিত কৰি ভাৰতীয় সামগ্ৰীৰ ৰপ্তানীত শুল্ক প্ৰত্যাহাৰ, শ্ৰমিক নিৰ্ভৰ ক্ষেত্ৰসমূহক উৎসাহিত কৰাৰ লগতে অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগক শক্তিশালীকৰণত কিদৰে সহায় কৰিব সেই বিষয়ে উল্লেখ কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে এই চুক্তিয়ে কৃষিজাত সামগ্ৰীৰ উৎপাদন আৰু বিনিয়োগৰ প্ৰতিশ্ৰুতিবদ্ধতাক সমৰ্থন জনোৱাৰ লগতে শিক্ষাৰ্থী আৰু দক্ষ বৃত্তিধাৰী লোকসকলৰ বাবে সুযোগৰ প্ৰসাৰ ঘটাব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজি ভাৰত-নিউজিলেণ্ড মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰক আদৰণি জনায়। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত ড° জয়শংকৰে কয় যে এই চুক্তিয়ে ভাৰতীয় ৰপ্তানীকাৰীসকলক বজাৰৰ সুবিধা প্ৰদান কৰাৰ লগতে বিনিয়োগ বৃদ্ধি আৰু শক্তিশালী অৰ্থনৈতিক অংশীদাৰিত্বত সহায় কৰিব। ভাৰত আৰু নিউজিলেণ্ডৰ সম্পৰ্কৰ ক্ষেত্ৰত এই চুক্তিখন স্বাক্ষৰিত হোৱাটো গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে ইয়াৰ জৰিয়তে উদ্যমী, উদ্ভাৱক, কৃষক, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ, মহিলা আৰু যুৱক যুৱতীসকলে নতুন সুবিধাৰ অন্বেষণ কৰিবলৈ সমৰ্থ হ'ব।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি দীনেশ ত্ৰিবেদীক বাংলাদেশত ভাৰতৰ পৰৱৰ্তী উচ্চায়ুক্ত হিচাপে নিযুক্তি দিয়াৰ কথা ঘোষণা কৰিছে। প্ৰবীন ৰাজনীতিক ত্ৰিবেদীয়ে মনমোহন সিং নেতৃত্বাধীন চৰকাৰৰ ৰেল মন্ত্ৰী আৰু স্বাস্থ্য তথা পৰিয়াল কল্যান ৰাজ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ৰাজ্যসভা আৰু লোকসভাৰ সাংসদ হিচাপে পশ্চিমবংগক প্ৰতিনিধিত্ব কৰিছিল। ২০০৯ চনৰ পৰা ২০১৯ চনলৈ বেৰেকপুৰ সমষ্টিৰ পৰা তেওঁ লোকসভালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ পূৰ্বে তেওঁ ৰাজ্যসভাৰ সদস্য হিচাপে কেইবাটাও কাৰ্যকাল সেৱা আগবঢ়াইছিল। ২০১৬-১৭ চনত তেওঁ শ্ৰেষ্ঠ সাংসদ বঁটা লাভ কৰিছিল। ২০২১ চনত তৃণমূল কংগ্ৰেছৰ পৰা পদত্যাগ কৰাৰ পাছত তেওঁ ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিল।

ooooo

নিৰ্বাচন আয়োগে পশ্চিমবংগৰ চলিত বিধানসভা নিৰ্বাচনৰ সময়ছোৱাত ৫১০ কোটিৰো অধিক টকা জব্দ কৰিছে। আয়োগে ভোটাৰক প্ৰভাৱিত কৰাৰ উদ্দেশ্যে ব্যৱহাৰ কৰা নগদ ধন, সুৰা, নিচাযুক্ত সামগ্ৰী, মূল্যবান ধাতুৰ লগতে অন্যান্য সামগ্ৰী জব্দ কৰিছে। আয়োগে প্ৰকাশ কৰা মতে, মুখ্য সচিব, মুখ্য নিৰ্বাচনী বিষয়া, আৰক্ষী সঞ্চালক প্ৰধান আৰু নিৰ্বাচন অনুষ্ঠিত হোৱা ৰাজ্যকেইখন, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু চুবুৰীয়া এলেকাৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এলানি উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। সকলো বিষয়াকে হিংসামুক্ত নিৰ্বাচন নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে ২ হেজাৰ ৭২৮ ৰো অধিক ফ্লাইং স্কোৱাদৰ দল ৰাজ্যসমূহত নিয়োগ কৰা হয়।

ooooo

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ ২০২৬ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়া মুকলি কৰা হৈছে। অহা ৩১ জুলাইৰ ভিতৰত ৫ৰ পৰা ১৮ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে এই পুৰস্কাৰৰ বাবে মনোনয়ন আগবঢ়াব পাৰিব। সমগ্ৰ দেশৰ শিশুৰ অসাধাৰণ সাফল্যক স্বীকৃতি জনাই ৰাষ্ট্ৰপতিয়ে প্ৰতি বছৰে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰি আহিছে। সাহসিকতা, সমাজ সেৱা, পৰিবেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তি আদি ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা তথা সাফল্য প্ৰদৰ্শন কৰা শিশুক এই পুৰস্কাৰ দিয়া হয়। এই বছৰৰ মনোনয়ন কেৱল ৰাষ্ট্ৰীয় বঁটা পোৰ্টেলৰ জৰিয়তে দাখিল কৰিব পাৰিব। স্ব-মনোনয়ন আৰু অনুমোদনকো এই ক্ষেত্ৰত বিবেচনা কৰা হ'ব।

ooooo

চৰকাৰে ২০৩৬ চনৰ ভিতৰত ক্ৰীড়াৰ ক্ষেত্ৰত বিশ্বৰ ১০ খন শীৰ্ষ দেশৰ ভিতৰত ভাৰতৰ স্থান নিশ্চিত কৰাৰ লক্ষ্যৰে কাম কৰি আছে বুলি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই আজি ঘোষণা কৰিছে। নতুন দিল্লীত ভাৰতৰ ৰাষ্ট্ৰীয় ৰাইফল সংস্থাৰ ৭৫ সংখ্যক জয়ন্তী উদযাপনৰ সময়ত এটা এথলেট এপৰ শুভাৰম্ভ কৰি শ্ৰীমন্দাভিয়াই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশে ক্ৰীড়াৰ ক্ষেত্ৰত যথেষ্ট উন্নতি সাধন কৰিছে। তেওঁ কয় যে সঠিক পৰিকল্পনা, সমন্বয় আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰে দেশে অনাগত  বছৰবোৰত ক্ৰীড়াৰ ক্ষেত্ৰত বিশ্বৰ নেতৃস্থানীয় দেশবোৰৰ সমকক্ষ হ'ব পাৰিব। মন্ত্ৰীগৰাকীয়ে লগতে সংস্থাটোৰ ৭৫ বছৰীয়া জয়ন্তী উপলক্ষে এটা প্ৰতীক মুকলি কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

ooooo

ঃঃ সমাপ্ত ঃঃ